- নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ কেইটামান অসুবিধা আৰু প্ৰত্যাহ্বান হ'ল— বিশেষ ব্যুৎপত্তিৰ আৱশ্যকতা, সমলৰ সুচলাৱস্থা, গৱেষক ব্যাখ্যাৰ সীমাহীন সুযোগৰ গৰাকী হোৱা, অন্ধবিশ্বাস/পক্ষপাত গাঢ় হোৱাৰ সম্ভাৱনা, অধ্যয়নৰ বাবে লোৱা মানৱ সমূহৰ পৰিচয় গোপনে ৰখা, গৱেষণা প্ৰকাশৰ পাচত হ'ব পৰা ক্ষতিৰ আশংকা ইত্যাদি।

১০.১০ অধিক জানিবলৈ

১) Creswell, J. W., *Qualitative Inquiry and Research Design: Choosing among Five Traditions*, Thousand Oaks, CA: Sage, 1998.

২) Fetterman, D. M., *Ethnography: Step by step*, 2nd edition. Newbury Park, CA: Sage, 1998.

৩) Uwe Flick, Ernst von Kardorff, Ines Steinke *ed., A Companion to Qualitative Research,* London, Sage Publication, 2004.

১০.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ গেৰ্হাৰ্ড ফ্ৰেডৰিক মূলাৰ।

২নং প্ৰশ্নৰ উত্তৰ ঃ নৃতত্ত্ববিজ্ঞানে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অংশগ্ৰহণকাৰী নিৰীক্ষণ (খ) প্ৰত্যাহ্বান

৪নং প্ৰশ্নৰ উত্তৰ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নৰ বৈশিষ্ট্যসমূহ হ'ল— সামাজিক পৰিঘটনা অন্বেষণ, আন্তঃক্ৰিয়াৰ প্ৰধান ভূমিকা, বিস্তৃত ক্ষেত্ৰভিত্তিক কার্য, ডেটাৰ প্ৰতিবেদন দাখিলৰ গুৰুত্ব আদি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বিস্তৃত (খ) সামাজিক পৰিঘটনা (গ) আৱোহী

৬নং প্ৰশ্নৰ উত্তৰ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নক ব্যক্তিগতকৃত পদ্ধতি বোলা হয়। কাৰণ, গৱেষকসকলে অধ্যয়নৰ বাবে বাছি লোৱা জনসমষ্টিৰ দৈনন্দিন জীৱন পর্যবেক্ষণ কৰি আৰু মানুহৰ মুখামুখি হৈ তথ্য সংগ্ৰহ কৰি এনে অধ্যয়ন সম্পন্ন কৰে গৱেষকসকলে এনে অধ্যয়নত অংশগ্ৰহণকাৰী আৰু নিৰীক্ষক দুয়োটা ভূমিকাই পালন কৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ দুটা সুবিধা হ'ল—

(i) এই অধ্যয়নে আধিপত্যসূচক ব্যাখ্যাৰ সম্ভাৱনা এৰাই চলে। গৱেষকসকলে এনে গৱেষণাত অংশগ্ৰহণক আৰু নিৰীক্ষক দুয়োটা ভূমিকা পালন কৰে। তেওঁলোক সেয়েহে তথ্যৰ প্ৰকৃত অর্থ সম্পর্কে সংবেদনশীল হৈ থাকে।

(ii) এনে গৱেষণাই অধ্যয়নৰ বাবে বাছি লোৱা মানৱ সমূহটোৰ সূক্ষ্ম বৈশিষ্ট্যবোৰ সংগত ৰূপত বিচাৰি উলিয়ায়। সমাজ এখনক দূৰৱপৰা অধ্যয়ন কৰি এনে বৈশিষ্ট্যবোৰ কেতিয়াও বাহিৰ কৰিব পৰা নাযায়।